**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

অ' এন জি চিয়ে শিৱসাগৰৰ ভটিয়াপাৰত ৰীগৰ পৰা গেছ্ নিৰ্গমন নিয়ন্ত্ৰণ কৰাত প্ৰগতি লাভ কৰা বুলি প্ৰকাশ কৰিছে। অ' এন জি চিয়ে গেছ্ নিৰ্গমনৰ হাৰ যথেষ্ট হ্ৰাস পোৱা বুলি জানিবলৈ দিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশেষজ্ঞ দলে কালি নিৰ্গমনস্থলীৰ পৰিস্থিতিৰ প্ৰাৰম্ভিক মূল্যায়ণ কৰে আৰু বৰ্তমানলৈ অ' এন জি চিৰ দলে গ্ৰহণ কৰা ব্যৱস্থাৰ পৰ্যালোচনা চলায়। গেছ্ নিৰ্গমন নিয়ন্ত্ৰণৰ বাবে পৰৱৰ্তী ব্যৱস্থাৰ প্ৰস্তুতি গ্ৰহণ কৰা হৈছে। খাদৰ পৰা নলী আঁতৰোৱাৰ কাম আৰম্ভ হৈছে আৰু সম্প্ৰতি ৰীগৰ তলীৰ পৰা নলী আঁতৰোৱাৰ বাবে ক্ৰেন প্ৰেৰণ কৰা হৈছে।

oooooo

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত জিলা ভূমি উপদেষ্টা সমিতি আৰু সমজিলা ভূমি উপদেষ্টা সমিতিৰ এখন বৈঠক কালি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিৰ অধীনত বিভিন্ন ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰী কাৰ্যালয়, বিদ্যালয়-মহাবিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ তথা মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত চৰকাৰী ভূমি আৱণ্টনৰ বাবে লাভ কৰা ৪৩৬ খন প্ৰতিবেদন পুংখানুপুংখভাৱে নিৰীক্ষণ কৰি যোগ্য বিবেচিত প্ৰতিবেদনসমূহ অনুমোদন জনোৱা হয়। বৈঠকত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, দুলীয়াজান, নাহৰকটীয়া, টিংখাং আৰু খোৱাং সমজিলাৰ আয়ুক্তকে ধৰি কেইবাটাও পৌৰসভাৰ পৌৰপতিসকল উপস্থিত থাকে।

oooooo

ৰাজ্যত অপৰাধৰ হাৰ ক্ৰমাৎ হ্ৰাস পোৱাৰ লগতে গোচৰৰ অভিযোগনামা দাখিলৰ হাৰ বৃদ্ধি পাইছে। শেহতীয়াকৈ অসম আৰক্ষীৰ তৎপৰতাৰ বাবে দোষী সাব্যস্তকৰণ প্ৰক্ৰিয়াও বৃদ্ধি পাইছে। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙৰ অধ্যক্ষতাত ৰাজ্যিক আৰক্ষীৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত অসম আৰক্ষীৰ মাহিলী অপৰাধ পৰ্যালোচনা বৈঠকত এই তথ্য প্ৰকাশ কৰা হয়। প্ৰতিখন জিলাৰ আৰক্ষী অধীক্ষক আৰু শীৰ্ষ আৰক্ষী বিষয়া উপস্থিত থকা এই বৈঠকত ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি ক্ৰমান্বয়ে উন্নত হোৱা বুলি বিষয়াসকলে উল্লেখ কৰে। বৈঠকত প্ৰকাশ কৰা তথ্য অনুসৰি চলিত বৰ্ষৰ মে' পৰ্যন্ত ৰাজ্যত প্ৰতি লাখ লোকৰ বিপৰীতে গোচৰৰ সংখ্যা ১২৭ দশমিক ৬ শতাংশলৈ হ্ৰাস পাইছে। ইপিনে এই সময়ছোৱাত অপৰাধীৰ বিৰুদ্ধে অভিযোগনামা দাখিলৰ হাৰ ৭৭ দশমিক ৫-৪ শতাংশলৈ বৃদ্ধি পাইছে।

oooooo

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত আজিৰে পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ'ব। আজি বিয়লি ২ বাজি ৫৬ মিনিটত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হ'ব।

পুনৰ ২৬ জুনত নিবৃত্তিৰ লগে লগে মন্দিৰ পৰিষ্কাৰ কৰি দেৱীৰ পূজা-অৰ্চনাৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। ইতিমধ্যে দেশী-বিদেশী ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। আইন শৃংখলা তথা তীৰ্থযাত্ৰী, ভক্তৰ সুৰক্ষাৰ বাবে মন্দিৰ চৌহদত ১২০ গৰাকী স্থায়ী সুৰক্ষা কৰ্মী, ৪০০ গৰাকী স্কাউট গাইড ১৫০ গৰাকী স্বেচ্ছাসেৱক, ২৫০ গৰাকী অস্থায়ী সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। দেৱালয়ৰ চৌপাশে ৫০০টা চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰ সংযোগী পথেৰে ভক্তৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অম্বুবাচী মহাযোগ সুকলমে অনুষ্ঠিত কৰাৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে।

০০০০০০

অসমীয়া মাধ্যমত মণ্টেচ্ছৰী শিক্ষাৰ বাটকটীয়া যোৰহাট বাল্য ভৱনে চলিত বৰ্ষত মহাৰজত জয়ন্তী উদযাপন কৰিছে। এই উপলক্ষে মহাৰজত জয়ন্তী উদযাপন সমিতিৰ উদ্যোগত যোৱা বছৰৰ ১০ নৱেম্বৰৰ প্ৰতিষ্ঠা দিৱসৰ দিনটোৰ পৰাই বিস্তৃত কাৰ্যসূচী হাতত লোৱা হৈছে। আজি এই উপলক্ষে বিদ্যালয়খনৰ এটা বিশেষ ৱেবছাইট যোৰহাট প্ৰেছ ক্লাবত মুকলি কৰা হয়। বিশিষ্ট শিক্ষাবিদ আৰু বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী ড০ অদিতি বেজবৰুৱাই ৱেবছাইটটো মুকলি কৰি কয়, যে তথ্য প্ৰযুক্তিৰ যুগৰ সৈতে খাপ খুৱাই চলিবলৈ এই ৱেবছাইটটোৱে বিদ্যালয়খনৰ লগত জড়িতসকলক সহায় কৰিব। সংবাদমেলত বিদ্যালয়খনৰ মহাৰজত জয়ন্তীৰ লগত সংগতি ৰাখি আন্তঃবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ লগতে বিভিন্ন কৰ্মশালা, দেশপ্ৰেমমূলক সমবেত সংগীত, কুইজ , ডবা খেল, বাৰ্ষিক আলোচনী আৰু হাতেলিখা আলোচনীৰ প্ৰতিযোগিতা কৰা হ'ব বুলি বিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিছে। অহা ৮ নৱেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে মহাৰজত জয়ন্তী সামৰণি অনুষ্ঠান উদযাপন কৰা হ'ব।

০০০০০০

অসম অলিম্পিক সন্থাৰ উদ্যোগত আৰু তেজপুৰ জিলা  ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত নগৰখনৰ প'ল গ্ৰাউণ্ডত কাইলৈ অলিম্পিক দিৱসৰ দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। প'ল গ্ৰাউণ্ডৰ নিজা কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত অলিম্পিক সন্থাৰ বিষয়ববীয়াসকলে এই বিষয়ে সদৰি কৰে। অলিম্পিক সন্থাৰ সভাপতি আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে দৌৰবিদ অৰ্জুন বঁটা বিজয়ী হিমা দাসেও এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। অলিম্পিক দৌৰত প্ৰায় এহেজাৰগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব।

০০০০০০

সমাপ্ত